No. of Printed Pages—3

753 (SKM3B)

[20-HRGPNW–D3S(N)21A]

BA 3rd Semester (New) Exam., 2020 (W)

SANSKRIT

[GSK S3–02 (M)]

(Bharatiya Darshan)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. *(a)* তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক (প্ৰতিটো *এটা* বা *দুটা* বাক্যত) : 1×8=8

(i) 'দৰ্শন' শব্দটো সংস্কৃত কি ধাতুৰ পৰা উৎপত্তি হৈছে, লিখক।

(ii) সাংখ্য দৰ্শনৰ প্ৰণেতা কোন, লিখক।

(iii) 'জীৱনমুক্তি' শব্দটোৰ অৰ্থ লিখক।

(iv) যোগমনস্তত্ত্বৰ বিষয় কেইটা, লিখক।

(v) ন্যায় দৰ্শনৰ প্ৰতিষ্ঠাতাগৰাকীৰ নাম লিখক।

(vi) অভাৱ কাক বোলে, লিখক।

(vii) মীমাংসা দৰ্শনৰ ভাগ দুটাৰ নাম লিখক।

(viii) 'অধ্যাস' শব্দটোৰ অৰ্থ লিখক।

(b) তলৰ প্ৰশ্নবোৰত দিয়া কেইবাটাও বিকল্পৰ পৰা শুদ্ধ উত্তৰটোহে লিখক : 1×4=4

(i) চাৰ্বাক দৰ্শনৰ মতে অনুমান / প্ৰত্যক্ষ / উপমান হৈছে জ্ঞানৰ একমাত্ৰ নিৰ্ভৰযোগ্য উপাদান।

(ii) ৰামানুজৰ মতে চৈতন্য হৈছে আত্মাৰ / দেহৰ / মনৰ স্বাভাৱিক ধৰ্ম।

(iii) চাৰ্বাক দৰ্শনৰ মতে মুক্তি হৈছে ব্যাধি / জৰা / মৃত্যু।

(iv) 'সমুৎপাদ' শব্দৰ অৰ্থ হৈছে বিনাশ / উৎপত্তি / প্ৰাপ্তি।

(c) তলৰ বাক্যবোৰত থকা খালী ঠাঁই পূৰণ কৰক : 1×4=4

(i) পঞ্চাবয়ব বাক্যৰ প্ৰথম বাক্য হ'ল _____ ।

(ii) বালানাং সুখবোধায় ক্ৰিয়তে _____ ।

(iii) তস্মাদপি চাসিদ্ধং পৰোক্ষম্ _____ সিদ্ধম্ ।

(iv) বৈশেষিক সূত্ৰ'ৰ ৰচক হৈছে _____ ।

2. তলত দিয়া প্ৰশ্নবোৰৰ পৰা যি কোনো **পাঁচটাৰ** উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০ শব্দৰ ভিতৰত) : 2×5=10

(a) অষ্টাঙ্গযোগৰ বিষয়ে আলোচনা কৰক ।

(b) সাংখ্য দৰ্শনৰ প্ৰত্যক্ষ প্ৰমাণৰ বিষয়ে লিখক ।

(c) চিত্তৰ পাঁচটা অৱস্থাৰ বিষয়ে লিখক ।

(d) ন্যায় দৰ্শনৰ কাৰণ তত্ত্বৰ বিষয়ে লিখক ।

(e) 'মীমাংসা' শব্দৰ তাৎপৰ্য লিখক ।

(f) বেদান্ত দৰ্শনৰ মুখ্য সম্প্ৰদায় কেইটা আৰু কি কি, লিখক ।

3. তলত দিয়া প্ৰশ্নবোৰৰ ভিতৰত যি কোনো **ছয়টাৰ** উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১২০ শব্দৰ ভিতৰত) : 4×6=24

(a) অনুমান প্ৰমাণৰ লগত জড়িত পৰামৰ্শ শব্দৰ অৰ্থ বুজাই লিখক ।

(b) বৌদ্ধ ধৰ্মৰ হীনযান সম্প্ৰদায়ৰ বিষয়ে লিখক ।

(c) জৈন ধৰ্মৰ মুক্তিতত্ত্বৰ বিষয়ে লিখক ।

(d) ন্যায় দৰ্শনৰ মতে আত্মা আৰু মুক্তিৰ বিষয়ে লিখক ।

(e) যোগ দৰ্শনৰ মতে চিত্তৰ বৃত্তিৰ কথা বুজাই লিখক ।

(f) সাংখ্য দৰ্শনৰ মতে দুখ কেইপ্ৰকাৰৰ আৰু কি কি, বুজাই লিখক ।

(g) ষড়্দৰ্শন বুলিলে কি বুজায়, লিখক ।

4. তলত দিয়া প্ৰশ্নবোৰৰ ভিতৰত যি কোনো **পাঁচটাৰ** উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২০০ শব্দৰ ভিতৰত) : 6×5=30

(a) জৈন দৰ্শনৰ মতে সম্যক্ জ্ঞান আৰু সম্যক্ চৰিত্ৰৰ বিষয়ে বুজাই লিখক।

(b) বৌদ্ধ ধৰ্মৰ মতে দুঃখ নিৰোধৰ উপায়ৰ বিষয়ে লিখক।

(c) ন্যায় দৰ্শনত স্বীকৃত চাৰিবিধ প্ৰমাণৰ বিষয়ে আলোচনা কৰক।

(d) প্ৰমাণৰ প্ৰয়োজনীয়তাৰ বিষয়ে আলোচনা কৰক।

(e) অন্নংভট্টৰ মতে অনুমানৰ স্বৰূপৰ বিষয়ে আলোচনা কৰক।

(f) বৈশেষিক দৰ্শনৰ মতে অভাৱৰ বিষয়ে বহলাই লিখক।

★ ★ ★